# এলে বেলে MBA পাছ

দেৱজিৎ ভূঞা



। ১৯।

উৎপাদনৰ আহিলা হিচাপে মেচিনসমূহ স্থাপন কৰাৰ পিচৰ কাম হ'ল মেচিনসমূহ efficiently চলোৱাটো। আমাৰ প্ৰত্যকৰে ঘৰত বিভিন্ন ধৰণৰ মেচিন আছে, যেনে— চিলাই মেচিন, পানী সিঁচা মেচিন, কাপোৰ ধোঁৱা মেচিন ইত্যাদি ইত্যাদি। আমি মেচিনসমূহ চলাওঁতে তাত তেল-পানীৰ যোগান ধৰিবলগা হয়। মেচিনসমূহ কেনেকৈ চলাব লাগে, মেচিন এটা কিনাৰ সময়ত মেচিন প্ৰস্তুত কৰা কোম্পানীয়ে আমাক শিকায় দিয়ে আৰু লগতে মেচিনটো ভালদৰে ৰাখিবৰ বাবে এখন হাতপুথি দিয়ে। এই হাতপুথিখনক সাধাৰণতে operation and maintenance mannual বুলি কোৱা হয়। মেচিন এটা কাৰ্যক্ষম কৰি ৰাখি তাৰ পৰা অধিক প্ৰডাকচন পাবৰ বাবে মেচিনটো চলোৱাৰ লগতে সবাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল maintenance। আমি সকলোৰেই maintenance শব্দটোৰ অৰ্থ ভালদৰে জানো আৰু বুজি পাওঁ। Maintenanceৰ অপৰিসীম গুৰুত্বৰ বাবেই প্ৰত্যেক উদ্যোগ বা প্ৰতিষ্ঠানত সম্পূৰ্ণ এটা বিভাগ বা maintenance department থাকে। Maintenance management সেয়ে মেনেজমেণ্টৰ গুৰুত্বপূৰ্ণ বিষয় বা অধ্যায়। Maintenanceক সাধাৰণতে তিনিটা ভাগত ভাগ কৰিব পাৰি। যেনে— Breakdown maintenance, Preventive maintenance, Predictive maintenance।

বাছ এখনেৰে কোনোবা এঠাইলৈ গৈ থকাৰ সময়ত ঘৰ ঘৰ শব্দ কৰি যেতিয়া বাছখন ৰৈ যায় আৰু বাছৰ ড্ৰাইভাৰ-হেন্দিমেনে বিয়েৰিং ভঙা বা স্প্ৰিং পাট্টি ভঙা বুলি কয় তেতিয়া বাৰু কেনে লাগে? সকলোৱে বাছৰ ভালদৰে মেইনটেনেন্স নকৰা বুলি ড্ৰাইভাৰক গালি-গালাজ কৰাৰ লগতে আন ব্যৱস্থা কৰিবৰ বাবে হেঁচা দিয়ে। হেন্দিমেনে আন এখন বাছত উঠি মেকানিক আনিবলৈ যায় আৰু বহু পলমকৈ মেকানিক লৈ আহি বাছখন ভাল কৰা আৰম্ভ কৰে। এনেদৰে বেয়া হোৱাৰ পিচত বা চলি থাকোতে ভাঙি যোৱাৰ পিচত যিবোৰ maintenance কৰা হয়, তেনে মেইনটেনেন্সক breakdown maintenance বুলি কোৱা হয়। উদ্যোগ বা Industryত breakdown সদায় অতিশয় ব্যয়বহুল হয়। কাৰণ breakdownৰ ফলত উদ্যোগটোত উৎপাদন বন্ধ হৈ পৰিব পাৰে। সেয়ে breakdown maintenance সাধাৰণতে কাৰো কাম্য নহয় আৰু ইয়াক minimize কৰিবৰ বাবে উদ্যোগসমূহত অহৰহ প্ৰচেষ্টা চলোৱা হয়। তথাপি কিন্তু breakdown কেতিয়াবা হয় বা হ'ব পাৰে আৰু তেতিয়া breakdown maintenance কৰিবলগা হয়।

আমি স্কুলত পঢ়োতে আমাৰ ঘৰৰ পৰাৰ স্কুললৈ প্ৰায় পাঁচ কিলোমিটাৰ দূৰ আছিল। সেয়ে দেউতাই এখন ছেকেণ্ডহেণ্ড চাইকেল ১২০ টকাৰে কিনি দিলে আৰু ক'লে যে চাইকেলখন ভালদৰে maintenance কৰি ৰাখিবি। সেয়ে আমি প্ৰতি দেওবাৰে চাইকেলখন ধুই-পখালি চাফা কৰি ৰাখিছিলো। তদুপৰি প্ৰতিবছৰে গৰমৰ বন্ধত আমাৰ ওচৰৰ চাইকেল দোকানত অভাৰ অইলিং কৰিবলৈ দিছিলো (আচলতে ইংৰাজীত ইয়াক overhauling বুলি কয়)। মিস্ত্ৰীকায়ে চাইকেলখন খুলি-মেলি নতুনকৈ গ্ৰীজ ইত্যাদি দিয়াৰ লগতে প্ৰয়োজন হ'লে বল, স্ক্ৰু ইত্যাদি বদলি কৰি দিয়ে। তাৰ পিচত পুনৰ এবছৰৰ বাবে আমি নিশ্চিন্তমনে স্কুললৈ অহা-যোৱা কৰো। আমাৰ প্ৰত্যেকৰে গাড়ী-মটৰসমূহ এক নিৰ্দিষ্ট সময় বা দূৰত্ব চলাৰ পিচত আমি একো বেয়া নহ'লেও ছাৰভিচিং কৰিবৰ বাবে গেৰেজলৈ লৈ যাওঁ আৰু মবিল আদি বদলি কৰাৰ লগতে আনুষংগিক যন্ত্ৰ-পাতিৰো পৰীক্ষা কৰাই আনো। এনেধৰণৰ maintenance সমূহেই হ'ল preventive maintenance। উদ্যোগ




বা Industryত preventive maintenance অতিশয় গুৰুত্বপূৰ্ণ। কাৰণ যদি যন্ত্ৰ-পাতি বা মেচিনৰ breakdown হয় তেন্তে তাৰ ফলত production বা উৎপাদনৰ ক্ষতি হ'ব পাৰে আৰু বজাৰত চাহিদামতে সময়ত বস্তুৰ যোগান ধৰিব নোৱাৰিলে market share loss কৰিব পাৰে আৰু গ্ৰাহকে বজাৰত উপলব্ধ অন্য সামগ্ৰী কিনা আৰম্ভ কৰিব পাৰে। আজিকালি আমাৰ বহুতেই ডাঙৰ হাস্পতালসমূহত নিজৰ স্বাস্থ্য নিয়মিতভাৱে পৰীক্ষা কৰাওঁ। বিশেষকৈ দেহত sugar ঠিকে আছেনে নাই, ব্লাড প্ৰেছাৰ ঠিকে আছেনে নাই, ক'লেষ্টৰলৰ লেভেল ঠিকে আছেনে নাই ইত্যাদি। যদি এইবোৰ ঠিকে নাথাকে তেন্তে ডাক্তৰে বিভিন্ন পৰামৰ্শ আগবঢ়ায়, যেনে— ব্যায়াম, যোগাসন আদি কৰিবৰ বাবে কয়। একেদৰে উদ্যোগসমূহতো বিভিন্ন মেচিন বা যন্ত্ৰ-পাতিৰ vibration, temparature, sound, noise ইত্যাদি নিয়মীয়াকৈ monitor কৰা হয়। যদি কিবা কাৰণত এই parameter সমূহৰ হঠাৎ সলনি হয়, তেন্তে তেনে মেচিনৰ ছাটডাউন কৰি তাৎক্ষণিকভাৱে বা পৰিকল্পিতভাৱে অতি সোনকালে maintenance কৰা হয় যাতে মেচিনৰ breakdown হ'ব নোৱাৰে আৰু breakdownৰ ফলত অধিক সময় মেচিন অচল হৈ নাথাকে।

উদ্যোগসমূহত সেয়ে আজিকালি preventive maintencnce আৰু predictive maintenanceৰ সমন্বয়ত এনেধৰণে maintenance কৰা হয় যাতে কোনোধৰণৰ breakdown হ'ব নোৱাৰে। ইংৰাজীত এষাৰ কথা আছে যে a stitch in time saves nine। একেই কথা maintenanceৰ ক্ষেত্ৰতো খাটে। সময়ত maintenance কৰিলে ব্ৰেকডাউন তথা production loss অতি সহজে প্ৰতিহত কৰিব পাৰি।

বৰ্তমানৰ প্ৰতিযোগিতাৰ বিশ্বত প্ৰত্যেক উদ্যোগে বিচাৰে zero defect আৰু zero breakdown। এই লক্ষ্যত উপনীত হ'বৰ বাবে Zero Defect বা ZD কৌশল প্ৰয়োগ কৰা হয়। Zero Defect is a management tool aimed at the reduction of defects through prevention. It is directed at motivating people to prevent mistakes by developing a constant, concious desire to do their job right the first time.

আজিকালি উদ্যোগসমূহত breakdown নাইকিয়া বা নোহোৱা কৰিবৰ বাবে Total Productive Maintenance বা TPM পদ্ধতি প্ৰয়োগ কৰা হয়। TPM is a system of maintaining and improving the integrity of production and quality system through the machines, equipments, processes, and employees that add business value to an organization. TPM focuses on keeping all equipment in top working condition to avoid breakdowns and delays in manufacturing processes. ইংৰাজীত কোৱা হয় যে cleanliness in next to godliness. আমি যদি উদ্যোগ এটাত সকলো যন্ত্ৰ-পাতি বা মেচিন আদি চাফ-চিকুণকৈ ৰাখো আৰু চকচকীয়া কৰি ৰাখো সৰু এটোপাল তেল লিক কৰিলেও আমাৰ চকুত তৎক্ষণাৎ পৰিব আৰু লিক হোৱাৰ কাৰণ তৎক্ষণাৎ rectify কৰিব পৰা যাব। TPMৰ এক মূলমন্ত্ৰ হ'ল যে সকলো যন্ত্ৰ-পাতি, মেচিন আদি চালে চকু ৰোৱাকৈ পৰিষ্কাৰ কৰি ৰখা। আমি কিছুমান মানুহৰ ঘৰৰ চোতাল দেখিলে কওঁ যে ফু মাৰি ভাত খাব পাৰি আৰু আন কাৰোবাৰ চোতাল আকৌ ঘাঁহ-বন গজি লেতেৰা হৈ থাকে। TPM হ'ল ফু মাৰি ভাত খাব পৰাৰ দৰে গৃহস্থৰ চোতাল-ঘৰ।




TPMত ব্যৱহাৰ কৰা kaizen এটা জাপানী শব্দ। Kai মানে হ'ল পৰিৱৰ্তন আৰু zen মানে হ'ল ভাল। অৰ্থাৎ ভালৰ বাবে কৰা পৰিৱৰ্তন— change for better। Kobetsuৰ অৰ্থ হ'ল focused। একেদৰে Jishuhozenৰ অৰ্থ হ'ল autonomus maintenance। ইয়াৰ মূল objective হ'ল মেচিনত কাম কৰা কৰ্মীসকলক মেচিনসমূহ ভালদৰে চলোৱা আৰু maintenance কৰাৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা।

বৰ্তমান সময়ত সৰহসংখ্যক উদ্যোগ বা প্ৰতিষ্ঠানতে TPMৰ জৰিয়তে উৎপাদন বৃদ্ধি, zero defects, zero accident, maintenanceৰ খৰচ কম কৰা, improvement of work environment আদি achieve কৰিবৰ বাবে চেষ্টা কৰা হয়। Moden maintenance সেয়ে কেৱল বেয়া হ'লে যন্ত্ৰ-পাতি ভাল কৰা বা মেচিন আদি repair কৰাতে সীমাবদ্ধ নহয়। Maintenance হ'ল উৎপাদন আৰু উৎপাদকতাৰ এক অভিন্ন অংশ। ভাল Maintenance মানেই হ'ল no breakdown, higher production আৰু better productivity, lower cost of production তথা better profile.

কম্পিউটাৰৰ ব্যাপক ব্যৱহাৰ হোৱাৰ লগে লগে maintenance managementৰ ক্ষেত্ৰতো কম্পিউটাৰ ব্যৱহাৰে maintenanceৰ data, record আৰু অন্যান্য কাম-কাজ সহজ কৰি তুলিছে। কম্পিউটাৰৰ সহযোগত কৰা maintenance managementক কোৱা হয় computer-aided maintenance. Computer-aided maintenance refers to systems that utilize software to organize planning, scheduling and support of maintenance and repair. এজন maintenance managerৰ কাম হ'ল তেওঁৰ হাতত থকা resourceৰ উপযুক্ত প্ৰয়োগ কৰি breakdown নোহোৱাকৈ সকলো মেচিন আৰু যন্ত্ৰ-পাতি সুচল কৰি ৰখা। আধুনিক computerized maintenance management system (CMMS)ৰ দ্বাৰা maintenance manager এজনে কামৰ খবৰ লাভ কৰাৰ পৰা আৰম্ভ কৰি planning, control, performance, evaluation and reporting আদি কামসমূহ দ্ৰুতভাৱে আৰু নিয়াৰিকৈ সম্পন্ন কৰিব পাৰে। তদুপৰি মেচিন বা যন্ত্ৰ-পাতিৰ history অতি সহজে কম্পিউটাৰত ৰাখিব পাৰি আৰু analysis কৰিব পাৰি। CMMS এটা মেচিন নতুবা এটা ডাঙৰ উদ্যোগৰ আটাইবোৰ মেচিনৰ বাবে নতুবা এটা ট্ৰেন্সপ'ৰ্ট কোম্পানীৰ সকলো গাড়ীৰ বাবে অতি সহজে প্ৰয়োগ বা ব্যৱহাৰ কৰিব পাৰি। সেয়ে বৰ্তমান সময় computer aided maintenance বা CMMS maintenanceৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। ■